পৰিশিষ্ট

An Account of England
ইংগ্লণ্ডৰ বিবৰণ

এই অসম দেশ নিবাসী দেশ নিবাসী লোক সকলে স্বদেশত বাজে পৃথিবীত আন আন যি সকল বৰ বৰ দেশ আচে তাৰ একো কথাৰ ভূ নেপাই, সেই হেতুকে সিবিলাকে আপোনাৰ দেশ অতি দূৰ অৱস্থাত আচে বুলি নেজানে; এতেকে সম্প্রতি পৃথিবীৰ ভিতৰত অতি আচৰিত যে ইংগ্লণ্ড দেশ তাৰে সংক্ষেপ বিবৰণ তলত লেখিলোঁ, তাক পঢ়ি মানিলে অনেক উপকাৰ দর্শিব।

ইংগ্লণ্ড অর্থাৎ আমাৰ দেশাধিপতি ইংৰাজ সকলৰ দেশ অসম দেশৰ উত্তৰ পশ্চিমে, আৰু ইউৰোপ নামে যি পৃথিবীৰ এভাগ তাতে আচে। সি সাগৰৰ মাজত বৰ উপদ্বীপ এখনৰ এভাগ আৰু দিঘলে ৪০০ মাইল পুতলে ২৮০ মাইল।

এই দেশ যি দৰৰ ইংগ্লণ্ড দেশ সেই দৰৰ নহয় আৰু আটাই কথাতে লৰ। এই দেশৰ ভালেমান ঠায়েই হাবি আৰু পর্ব্বতিয়া; অনেক আঁতৰে আঁতৰে একো খনি সৰু সৰু নগৰ; আলি বিলাক প্রায়েই বেয়া আৰু অগম্য; লোক থকা ঘৰ বোৰো প্রায়েই পজা একোটিৰ দৰে খেৰ বাঁহেৰে সজা; নৈত যি নাও বোৰ থাকে সিও ডোঙ্গা একোটিৰ দৰে সৰু, আৰু দহ দিনৰ বাট বিচাৰি ফুৰিলেও এখনি পঢ়াশালি, জ্ঞানৰ সভা, চিকিৎসালই, দুখিয়া দৰিদ্র আৰু দেশৰ উপকাৰলৈ কোনো উপাই পোৱা নে জায়। কিন্তু ইংগ্লণ্ড দেশলৈ গৈ চোৱা, গোটেই খন দেশেই ফুল বাৰী খনৰ নিচিনা মনোহৰ, এখামোচ হাবিও নো পোৱা, নানা বিধৰ শস্য হোৱা পথাৰে ঢাকি আচে; পর্ব্বত যি আচে তাতো মানুহৰ বসতি, আৰু যত হাবি সিও আপুনি হোৱা ন হয়, কিন্তু বৰ লোক সকলৰ মৃগয়াৰ নিমিত্তে ভালেমান পুৰুষার্থ কৰি মানুহে ৰুইচে। দেশ খনত অতি আচৰিত আচৰিত অনেক মহা নগৰ আচে; লোক থকা ঘৰ বিলাক প্রায়ে ইটা আৰু সিলৰ, অনেক বিচক্ষণ অট্টালিকা আচে, আৰু তাৰ হজুৰাৰ ঘৰো এই দেশৰ ধনৱন্তৰ ঘৰতকৈ ভাল; আলি বোৰ যে দেখিবা সিও কেত বোৰ বা সিলৰ কেত বোৰ বা ইটাৰ প্রায়েই পকি, আৰু তাৰে ৰাতিয়ে দিনে হেজাৰে হেজাৰে মানুহ আৰু ৰথ চলি থাকে; ইয়াত বাজে ৰেল্ৱদ নামে চাৰিও ফালে লোৰ বাট দেখিবা, তাৰে ভাপৰ ৰথ জোআ অহা কৰে আৰু সেই ৰথেৰে এনে বেগেৰে জাব পাৰি যে দহ পোন্ধৰ দিনৰ বাট একে দিনে পোৱা জায়; নৈ বিলাকত ভাপৰ নাও বৰ বৰ জাহাজ ইত্যাদিয়ে ভৰি থাকে, আৰু বাণিজ্যৰ সুগমলৈ চাৰিও ফালে মানুহে খানি নৈ কৰিচে; দেশৰ ঠায়ে ঠায়ে হেজাৰে হেজাৰে পঢ়াশালি জ্ঞানৰ সভা পাবা, আৰু যলৈকে জোআ তাতে চিকিৎসালই আৰু দৰিদ্রৰ উপকাৰলৈ নানা ঠাই দেখিবা; তাত নৰিয়াক বিনা ধনে চাই দুখিয়াৰ দুখ বিমোচন হয়।

ইংগ্লণ্ড দেসক চল্লিচ প্রদেশ কৰি ভাগ কৰা হৈচে; তাৰ সকলো নগৰতকৈ প্রধান ৰাজধানী লণ্ডন নগৰ। এই নগৰ এনেহে আচৰিত যে তাৰ বিবৰণ অনেক অসমীয়া লোকেই ন পতিয়াব। লণ্ডন ইমানহে ডাঙ্গৰ যে তাত কুৰি লাখ মানুহ থাকে, আৰু দুই লাখতকৈ বঢ়া পকি ঘৰ আচে। তাৰ আলি বোৰৰ তিনি ভাগ; মাজত বৰ বৰ সিলেৰে বন্ধাইচে তাতে ৰথ ঘোঁৰা চলে, দুই কোখৰে বৰ সুন্দৰ সুন্দৰ সিলেৰে বন্ধোৱা তাতে মানুহ ফুৰে। প্রতি আলিৰ দাঁতিত খাৰৈ থাকে তাৰে নগৰৰ মলি বোৰ নৈত পৰেগৈ; আৰু এই দেশত যেনেকৈ নিলগৰ পৰা পানি আনিব লাগে তাত নে লাগে কিন্তু নগৰৰ মাজে যি থেমচ্ নদী বৈচে তাৰে দাঁতিত এনেহে একোটা কল কৰি থৈচে যে প্রতি ঘৰলৈ সিহৰ চুঙ্গাৰে পানি জাই। লণ্ডনৰ প্রতি আলিতে চাকি লগাই, আৰু একেটা আলিতে দিনত সাত হেজাৰ মান ৰথ অহা জোৱা কৰে! এই নগৰত থেমচ্ নদীৰ ওপৰে কেই খন মান বিচক্ষণ সাকোঁ আচে, তাৰে নৈৰ তলেদি পাৰ হব পৰাকৈ সুৰুঙ্গা বাট এটা যি কৰিচে, সি পৃথিৱীৰ মধ্যত এক আচৰিত কর্ম্ম; আৰু তাক সাজোঁতে ৪৫ লাখ ৰূপ খৰচ হৈচিল। এই মহা নগৰত বাজে লিৱৰপুল, ব্রিষ্টলকে আদি কৰি অনেক বৰ বৰ নগৰ আচে তাৰ কথা লেখা বৰ বাহুল্য।

ইংগ্লণ্ড দেশ স্বাভাৰিকতে যদিও বৰ উর্ব্বৰ ন হয় তেও তাৰ লোকৰ পৰিশ্রমৰ প্রভাৱত বৰ উর্ব্বৰ হৈ নানা বিধৰ শস্য উৎপন্ন হয়। কিন্তু ইংগ্লণ্ড শিল্প কর্ম্মতহে প্রখ্যাত; এই দেশত যেনেকৈ কাপৰ হাতেৰে বয় তাত তেনে ন হয়, ভিন দেশৰ পৰা কপাহ নি ভাপৰ

কলেৰে কাপৰ কৰে, আৰু এপখৰ বন এক মুহুৰ্তকত হয়। কৃষি কৰ্ম্মতো ইংগ্লণ্ড ঘাটি ন হয়, অসমত যদি পুৰাৰ মাটিত দহ টকা উৎপন্ন হয় তাত দহ গুণে বঢ়া হয়, কিয়নো তাৰ খেতিয়ক বিলাক বঢ়া বুধিয়ক। ইংগ্লণ্ডৰ বাণিজ্য অসীম আৰু পৃথিবীৰ সকলো ঠাইলৈকে ইংৰাজৰ জাহাজ বেপাৰলৈ জায়।

ইংগ্লণ্ড দেশত প্রাই এক কোটি চল্লিচ লাখ মান লোক আচে। ইংৰাজ সকল অতি স্বাধীন অর্থাত কাৰো তলতিয়া হৈ থাকিব নো খোজে; সিবিলাক বৰ সাহিয়াল, পৰিশ্রমী, আৰু শিল্প কৰ্ম্ম আদিত বৰ পাৰ্গত। পৃথিবীৰ কোনো দেশত বিদ্যাৰ অনুশীলন বঢ়াকৈ ন হয়। ইংগ্লণ্ডত ভাল মানুহৰ সন্তান সকলক পঢ়াবলৈ অসংখ্য পঢ়াশালি আচে, তাত বাজে যি সকল দুখিয়া আৰু ধন ভগন কৰি পঢ়িব নোৱাৰে সিহঁতৰ জ্ঞানলৈ দেশৰ ধনৱন্ত সকলে আপোনাৰ ধনেৰে পঢ়াশালি হেজাৰে হেজাৰে পাতিচে। এই ৰূপে দেশৰ আটাইৰে জ্ঞান বাঢ়ি সুতৰাং ধর্ম্মৱন্ত হৈচে। ইংৰাজৰ ভাষাৰে লাখে লাখে পুথি নানা বিদ্যা বিষয়ক আচে, আৰু লোকৰ এনেহে বিদ্যাত মন যে প্রায় নিতৌ নতুন পুথি ৰচনা হৈ আচে।

ইংগ্লণ্ড দেশৰ আন আন বৃত্তান্ত যেনে আচৰিত তাৰ ৰাজ্য শাসনৰ কথাও তাতকৈ সৰু আচৰিত ন হয়। সি ৰজা এজনা আৰু পার্লিমেণ্ট নামে এখন বৰ সভাৰ দ্বাৰাই শাসিত হৈচে। দেশত বৰ বিষয়া আৰু বিচপ নামে যি ধর্ম্ম অধিপতি সকল আচে সিবিলাকৰ এক সভা, আৰু প্রজা সকলৰ প্রতিনিধি বিলাকৰ এক সভা, এই দুই সভাই পার্লিমেণ্ট। সেই পার্লিমেণ্ট দেশ শাসনৰ ব্যৱস্থা কৰাই, আৰু খাটনি ধনো তাৰ অনুমতিৰেহে সধা হয়। এই ৰূপে ৰজাই স্বতন্ত্র হৈ একোকে কৰিব নোৱাৰে আৰু ব্যৱস্থাত নিজে কোনো কৰ্ম্ম কৰিবৰ অক্ষম। ইংৰাজৰ দেশত বচৰি একাৱন কোটি টকা কঁটল উৎপন্ন হয়।

আন সকলো কথাতকৈ ইংৰাজৰ বুৰঞ্জি জনা বৰ আবশ্যক। ১৯০০ বচৰৰ পূর্ব্বে ইংৰাজ বিলাক অতি অসভ্য আচিল। সিহঁতে কাপৰ পিন্ধিব নে জানি নাঙ্গটে ফুৰি গা বোৰত আঁকিচিল, হাবিত বাস কৰিচিল আৰু গাঁত বা গচৰ ডালি আৰু পাতেৰে সজা ঘৰত থাকি মৃগয়া কৰি যি মঙ্গহ পাই, তাকে খাই প্রাণ ধাৰণ কৰিচিল। সিহঁত তেতিয়া নিচেই অগিয়ান আচিল, আৰু পুৰোহিত হঁতেহে বিদ্যা জানিচিল। সিহঁতে প্রতিমা পূজা কৰিচিল আৰু অনেক অকর্ম্মকো কৰিচিল; এক সময়ত ৰণত ঘাটি দেবতা ৰুষ্ট হৈচে বুলি তিনি শ ভাল মানুহৰ লৰাক পুৰি বলি দিলে। আৰু সিহঁতৰ এই নীতি আচিল, ৰণৰ সময়ত কাঠৰ বৰ এক দেৱতাৰ মূর্ত্তি চিলিঙ্গিৰ নিচিনাকৈ সাজি, সেই দেৱতা তুষ্ট হবৰ নিমিত্তে ৰণ জিকি ধৰি অনা মানুহ বিলাকক সেই বৰ মূর্ত্তিৰ ভিতৰত সুমুৱাই, হোম দি পুৰিলে। সেই ৰূপে মূর্ত্তিৰ নক্চা এটা তলত আচে, আৰু সেই নক্চাৰ ভিতৰত চিলিঙ্গিৰ মাজেদি সুমাই দিয়া মানুহ বোৰৰ মূৰ, হাত আৰু ভৰি দেখা জাই। পূর্ব্বৰ ইংৰাজ সকল এই দৰৰ অসভ্য আচিল কিন্তু এতিয়া ক্রমে ক্রমে সিবিলাক পৃথিবীৰ সকলো জাতিতকৈ পৰাক্রমী, ধনৱন্ত আৰু মহৎ হৈচে।

এই বিবৰণ পাঠ কৰি স্বাভাৱিকতে আমাৰ মনত এটা প্রশ্ন ওলাই অর্থাৎ ইংৰাজ সকল এনে অসভ্য থাকিও যে আমাৰ দেশতকৈ বহু সভ্য হল ইয়াৰ কি হেতু? ভাৰতবর্ষৰ লোক সকল অতি পূর্ব্বৰে পৰা সভ্য হৈও যে একেদৰেই থাকিল বৰঞ্চ অসমীয়া লোক পূর্ব্বতকৈ ধর্ম্মত হ্রাসহে হল, ইয়াৰ বা কি কাৰণ? হে অসম দেশ নিবাসী লোক সকল, তোমোলাকে অলপ গমি চালেই জানিবা যে তোমোলাকৰ দূৰ অবস্থাৰ হেতু তোমোলাকেই। দেখা প্রথমতে এই জগতত বিদ্যাৰ সমান আমাৰ মিত্র নাই, কিয়নো তাক জানিলে আমি জ্ঞান পাওঁ আৰু জ্ঞানী হলে ইহ কালত আদৰ সন্মান পাম। এনে যে অমূল্য ৰতন বিদ্যা তাৰ তোমোলাকে একো মূল নে পাই নিচেইকৈ অৱহেলা কৰিচা। তোমোলাকৰ পূর্ব্ব পুৰুষ সকলে এক প্রকাৰ বিদ্যাৰ আলোচনা কৰিচিল আৰু সেই নিমিত্তে সিবিলাকৰ অনেক জ্ঞানী আচিল, কিন্তু এতিয়া তোমোলাকে কি সংস্কৃত কি ইংৰাজী একো বিদ্যা ন পঢ়ি পূর্ব্বৰ হোজা স্বভাৱ এৰি অজ্ঞান আৰু টেঙ্গৰ স্বভাৱ লবৰ উপক্রম কৰিচা। আমাৰ ইংৰাজ অধিপতি সকল কেনে বিদ্যোৎসাহি, সিবিলাকে স্বকীয় বিদ্যা শিকাই বঙ্গ দেশক সভ্য কৰিব ধৰিচে, তোমোলাককো সেই দৰে অনুগ্রহ কৰিব খোজে কিন্তু পশুক মানিক দিয়াৰ দৰে তোমোলাকে সেই অনুগ্রহ নোলোৱা আৰু আপুনি ধন ভাঙ্গিও নপঢ়া। হায় হায়, কি আক্ষেপৰ কথা! হে প্রিয় মিত্র সকল, যদি সভ্য আৰু সুখী হবৰ বাঞ্ছা

কৰা তেন্তে টোপনিৰ পৰা উঠা। লৰা সকল, তোমোলাকে আটায়ে একে বাক্য হৈ কাৰো হাক নুশুনি বিদ্যাত আটায়ে চিত্ত আৰু শক্তি দিয়া। যি হেতুক ধনে সোনে জ্ঞান দিব নোৱাৰে। পিতৃ মাতৃ সকল, আটাই কথাকে কাতি কৰি থোৱা, সন্তানক ধন আৰ্জ্জিব নিদি, বিদ্যা আৰ্জ্জিব দিয়া, কিয়নো সিহঁত অজ্ঞান হৈ যি পাপ কৰে তাৰ দোষে তোমোলাককো ধৰিব আৰু তাৰ সলনি ঈশ্বৰৰ সোধত তোমোলাকে দণ্ড নেপাঁও বুলি নে ভাবিবা। ধনৱন্ত লোক সকল, তোমোলাকেও আজিৰে পৰা উঠা, পূৰ্ব্বৰ প্ৰতিজ্ঞা এৰা, তোমোলাকৰ ধন মাটিৰ তলত মামৰে নষ্ট কৰিব নিদিবা, কিন্তু দেশত বিদ্যা বৃদ্ধিলৈ ধন ভাঙ্গা এই উপাই লোৱা দেশ অৱশ্যে সভ্য আৰু জ্ঞানী হব।

দ্বিতীয়তে হে মোৰ অসমীয়া মিত্ৰ সকল, বিদ্যা যেনেকৈ ইহ কালত উপকাৰক আন একো তেনে ন হই; কিন্তু যদি সভ্য আৰু সুখী হব খোজা তেন্তে কৃষি আৰু শিল্প কৰ্ম্মত ইংৰাজৰ দৰে পাৰ্গত হবলৈ পুৰুষাৰ্থ কৰা। তোমোলাক নিচেই অজ্ঞান আৰু সেই বিদ্যা ভু নোপোৱা, আৰু জানিবলৈকো শ্ৰম ন কৰা। তোমোলাকে ভাপৰ ৰথ, ভাপৰ কল, ভাপৰ নাও ইত্যাদি কৰিব পৰা হলে কেনে সুখী হলা হঁতন; এতিয়াও তোমোলাকৰ সাধ্যৰ বাহিৰ ন হয়, তোমোলাকৰ ভিতৰৰ ধনৱন্ত সকলে এবেলি মাথোন কিচু ধন ভগন কৰি ইংৰাজৰ সহায় লৈ, কেই জন দেশী ভাইক কৃষি কৰ্ম্মৰ নানা যন্ত্ৰ কৰি তাৰ ব্যৱহাৰ শিকাওক, আৰু নানা আচৰিত আচৰিত ইংৰাজী যন্ত্ৰ সকল বুজাওক, ইয়াকে কৰিলে লোকে যদি তাৰ গুণ দেখিলে, তেন্তে তাক নেৰি বঢ়াকৈহে শিকিব আৰু তেতিয়া দেখিবা, অসম দেশ হাবি গুচি ফুল বাৰী হ'ব, পজাৰ ঠাইত অট্টালিকা হব, ডোঙ্গা গুচি ভাপৰ নাও হব, আৰু গোটেই দেশ ধনময় হব।

অসমীয়া সকল, ইংৰাজতকৈ অসভ্য হোৱাৰ তৃতীয় হেতু কওঁ শুনা। তোমোলাকৰ ভিতৰত বাণিজ্যৰ অনুশীলন নিচইকৈ নাই, সকলে ধন মাটিত পুতি থৈ ভাল পাই, কিন্তু যিহৰ পৰা সেই ধনেৰেই ধন হয়, তাক নিচিন্তে। ইংৰাজ সভ্যতাৰ ঘাই এক হেতু বাণিজ্য, এতেকে যদি ধনৱন্ত হব খোজা, তেন্তে, সম্প্ৰতি বাণিজ্যত প্ৰবৰ্ত্ত হোৱা। কৃষি কৰ্ম্ম নে বাঢ়িলে বাণিজ্যও নে বাঢ়ে, সেই নিমিত্তে দুইকো অনুশীলন কৰিবলৈ যত্ন কৰা।

কিন্তু হে মোৰ স্বদেশীয় বান্ধৱ সকল, আমাৰ দেশৰ দুৰবস্থাৰ চতুৰ্থ আৰু ঘাই হেতু এই যে তোমোলাক কেৱে দেশৰ হিত নি চিন্তা, কেৱল আপুনি কেনেকৈ ভালে থাকা তাকেহে সদাই ভাবা। ওপৰত যি সকল উপাই দিলোঁ, সেই বিলাকৰ পৰা কি গুণ হব যদি স্বদেশকে কেৱে মৰম ন কৰিলে? ইংগ্লণ্ডৰ কত সদ লোকে দেশৰ হিতলৈ কোটি কোটি ৰূপ ভগন কৰিব লাগিচে। দেখা, আমাৰ দেশত কত ধনৱন্ত লোকে সিবিলাকৰ ধন মাটিৰ তলত পুতি থৈ, দেশৰ হিতলৈ এটকিও ভাঙ্গিব নো কোজে। যদি সকলে একে বাক্য হৈ দেশৰ উপকাৰলৈ প্ৰতিজ্ঞা কৰে, তেন্তে কি হব নোৱাৰে? হে ধনৱন্ত সকল তোমোলাকে নিশ্চই জানিবা যে ঈশ্বৰে ধন সাঁচি থবলৈ, নাইবা আপোন সুখলৈ দিয়া নাই, কিন্তু তাৰে পৰৰ উপকাৰ কৰিবলৈহে দিচে; এই ভৰ্ৎসনা বাক্য শুনি অনেক সদ লোকৰ চিত্তে উৎসাহ পাই, দেশৰ দুৰ্ভাগ্য গুচাবলৈ উঠিব পাৰে, কিন্তু অকলে কি কৰিম বুলি, নৈৰাশ ন হৈ স্ব স্ব সাধ্যানুসাৰে হিত কৰিব, এতেকে আনেও সিবিলাকক দেখি সেই ৰূপে হিত কৰিব।

হে কৃপাময় জগদ্বীশ্বৰ, এই অসম দেশৰ লোক সকলক স্বদেশ সভ্য জ্ঞানী আৰু ধাৰ্ম্মিক কৰিবলৈ মতি দিয়া, সিবিলাকৰ অভাব আৰু দুৰবস্থা জানিবলৈ সিবিলাকক জ্ঞান দিয়া, আৰু তোমাৰ বিচিত্ৰ শক্তিৰে সিবিলাকক সভ্য কৰা আৰু তোমাক জানিবৰ আৰু আজ্ঞা পালিবৰ যোগ্য কৰা। যি সময়ত অসম হাবি গুচি, ফুল বাৰী হব, নৈত ডোঙ্গা গুচি, জাহাজ হব, ঘৰ বাঁহৰ গুচি, সিল ইটাৰ হ'ব, গাঁৱে গাঁৱে হেজাৰে হেজাৰে পঢ়াশালি, জ্ঞানৰ সভা, চিকিৎসালই, দুখিয়া দৰিদ্ৰ পৰিত্ৰাণৰ আলয় হব, আৰু যি কালত লোক সকলে পৰস্পৰ হিংসা ন কৰি, আটাইয়ে আটাইক ভাতৃবৎ চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিচা সাক্ষি নি দি, লাখ টকাকো কাতি কৰি থব, কোটি টকা ভেঁটি পাইও কাৰো অন্যায় নকৰিব, বেশ্যা, কানি আৰু সুৱা এই কথা দেশত লোকে ভূ নোপোৱা হব, সেই সময়, হে পৰম পিতা জগদ্বীশ্বৰ, শীঘ্ৰে ঘটোৱা।

*** ***** ***